**লৰ্ড মৈৰা আৰু নেপাল ঃ** নেপালৰ লগত যুদ্ধ লৰ্ড মৈৰাৰ শাসনকালৰ এক গুৰুত্বপূৰ্ণ ঘটনা। ১৮০১ খৃষ্টাব্দত অযোধ্যাৰ নৱাবে গোৰক্ষপুৰ অঞ্চলটো কোম্পানীক এৰি দিয়াত কোম্পানীৰ ৰাজ্যসীমা নেপালৰ সীমা পৰ্যন্ত বিস্তৃত হৈছিল। ইতমধ্যে গুৰ্খা নেতা পৃথ্বীনাৰায়ণে নেৱাৰী বংশৰ ৰজাক পৰাভূত কৰি সমগ্ৰ নেপাল নিজৰ তললৈ আনিছিল। পাৰ্বত্য অঞ্চলত স্বভাৱতেই কোনো সুনিৰ্দিষ্ট সীমাৰেখা নথকাত নেপাল আৰু বৃটিছৰ মাজত সীমাৰেখা সংক্ৰান্ত সংঘৰ্ষৰ সৃষ্টি হ'ল। গুৰ্খাসকলেও ইংৰাজৰ নিৰপেক্ষ নীতিৰ সুযোগ লৈ বহু বৃটিছ অধিকৃত অঞ্চলৰ ওপৰত আক্ৰমণ চলালে আৰু ভোটৱাল আৰু শিশুৰাজ নামৰ জিলা দুখন দখল কৰিলে। বৃটিছ চৰকাৰৰ অনুৰোধ সত্বেও যেতিয়া নেপালে এই জিলা দুখন ইংৰাজক ঘূৰাই দিবলৈ সন্মত নহ'ল তেতিয়া লৰ্ড মৈৰাই ১৮১৫ খৃঃত যুদ্ধ ঘোষণা কৰিলে।

জেনেৰেল অকটাৰলনী (General Ochterlony)-ৰ নেতৃত্বত যোৱা ইংৰাজ সৈন্যদলে প্ৰথম অৱস্থাত যুঁজত পৰাস্ত হৈয়ো শেষত নেপালৰ সেনাপতি অমৰ সিংহক পৰাভূত কৰিবলৈ সক্ষম হ'ল। শেষত ১৮১৬ খৃঃৰ মাৰ্চ মাহৰ চগৌলি (Sagauli)-ৰ সন্ধিৰ দ্বাৰা উভয় পক্ষৰ মাজত শান্তি স্থাপন কৰা হ'ল। সন্ধিৰ চৰ্ত অনুসৰি নেপালৰ ৰজাই কাঠমাণ্ডুত এজন বৃটিছ প্ৰতিনিধি (Resident) ৰাখিবলৈ সন্মত হ'ল আৰু চিমলা, মূচৌৰী, নাইনিতাল, আলমোৰা প্ৰভৃতি স্থান ইংৰাজসকলক অৰ্পণ কৰিলে। ইয়াৰ উপৰিও চিকিমৰ পৰাও নেপালৰ ৰজাই নিজ সৈন্য অপসাৰণ কৰিবলৈ বাধ্য হ'ল। ১৮১৭ খৃঃত চিকিমেও কোম্পানীৰ লগত এক মিত্ৰতা চুক্তিত আৱদ্ধ হ'ল। এই চুক্তিৰদ্বাৰা চিকিমে ইংৰাজসকলৰ পৰা চগৌলি সন্ধিৰ দ্বাৰা লাভ কৰা অঞ্চলৰ এক ক্ষুদ্ৰ অংশ লাভ কৰিলে। নেপালৰ যুদ্ধত সাফল্য লাভৰ পুৰস্কাৰ স্বৰূপে ইংলেণ্ডৰ কৰ্তৃপক্ষই লৰ্ড মৈৰাক মাৰকুইজ-অব-হেষ্টিংচ (Marquess of Hastings) উপাধিৰে ভূষিত কৰিলে।

CamScanner